# কুইজ

**দিশান্ত শইকীয়া**

স্নাতকোত্তৰ ১ম বৰ্ষ,
গণিত আৰু কম্পিউটাৰ বিজ্ঞান বিভাগ, Freie Universität Berlin

**১)** ভাৰতৰ কুম্বকোনমৰ ওচৰত অৱস্থিত শানমুঘা কলা, বিজ্ঞান, প্ৰযুক্তি আৰু গৱেষণা শিক্ষায়তন (SASTRA)ৰ দ্বাৰা প্ৰতিষ্ঠা কৰা 'SASTRA ৰামানুজন বঁটা' প্ৰতি বছৰে গণিতত উৎকৃষ্ট কাম কৰা (বিশেষকৈ ৰামানুজনে কৰা গণিত সম্পৰ্কীয়) এজন যুৱ গণিতজ্ঞক প্ৰদান কৰা হয়। পুৰস্কাৰৰ বয়সৰ সীমা ৩২ বছৰ নিৰ্ধাৰণ কৰা হৈছে (যি বয়সত ৰামানুজনৰ মৃত্যু হৈছিল) আৰু বৰ্তমান এই পুৰস্কাৰত প্ৰদান কৰা ধনৰ পৰিমাণ হৈছে ১০,০০০ ডলাৰ। ২০২২ চনৰ শাস্ত্ৰ ৰামানুজন বঁটা প্ৰদান কৰা হ'ব কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়, বাৰ্কলেৰ এগৰাকী গণিতজ্ঞক। তেওঁৰ নাম কি?

**২)** এই প্ৰতিযোগিতা হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত নামভৰ্তি কৰা স্নাতক মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে এক বাৰ্ষিক গণিত প্ৰতিযোগিতা। ই শীৰ্ষ শিক্ষাৰ্থীসকলৰ বাবে ২৫০ ডলাৰৰ পৰা ২৫০০ ডলাৰলৈকে আৰু শীৰ্ষ বিদ্যালয়সমূহৰ বাবে ৫০০০ ডলাৰৰ পৰা ২৫০০০ ডলাৰলৈকে এক বৃত্তি আৰু নগদ পুৰস্কাৰ প্ৰদান কৰে। ইয়াক বিশ্বৰ আটাইতকৈ সন্মানীয় বিশ্ববিদ্যালয় পৰ্যায়ৰ গণিত প্ৰতিযোগিতা বুলি গণ্য কৰা হয়। প্ৰতিযোগিতাখন ইমানেই কঠিন যে গণিতৰ বিশেষজ্ঞ শিক্ষাৰ্থীসকলে চেষ্টা কৰা স্বত্বেও মধ্যমীয়া নম্বৰ প্ৰায় শূন্য (মুঠ ১২০ ৰ ভিতৰত) হয়। প্ৰতিযোগিতাখন ১৯২৭ চনত ________ ৰ দ্বাৰা তেওঁৰ স্বামী ________ ৰ স্মৃতিত প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰতিযোগিতাখনৰ নাম কি?

**৩)** এইগৰাকী জাপানী গণিতজ্ঞ বৰ্তমান টকিঅ' বিশ্ববিদ্যালয়ৰ 'কাৱলী ইনষ্টিটিউট ফৰ দ্য ফিজিক্স এণ্ড



মেথেমেটিক্স অৱ দ্য ইউনিভাৰ্ছ'ৰ অধ্যাপক। ২০০২ চনত বেইজিঙত অনুষ্ঠিত 'গণিতজ্ঞসকলৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন'ত তেওঁ এগৰাকী সন্মানীয় বক্তা আছিল। প্ৰতিনিধিত্ব তত্ত্ব আৰু বীজগণিতীয় জ্যামিতিৰ সম্পৰ্কত কৰা কামৰ বাবে তেওঁ ২০০৩ চনৰ ক'ল বঁটা লাভ কৰিছিল। তেওঁৰ নাম কি আৰু ২০২৩ ৰ পৰা ২০২৬ চনলৈ তেওঁ কোনটো গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হ'ব?

৪) ২০০৯ চনৰ জানুৱাৰী মাহত ফিল্ডছ মেডেলিষ্ট টিমোথি গওয়াৰ্চে তেওঁৰ ব্লগত এক গুৰুত্বপূৰ্ণ অমীমাংসিত গাণিতিক সমস্যা বাছনি কৰি সমস্যাটোক সহযোগিতামূলকভাবে সমাধান কৰাত সহায় কৰিবলৈ আন লোকৰ বাবে আমন্ত্ৰণ জাৰি কৰি এক সামাজিক পৰীক্ষা আৰম্ভ কৰিবলৈ চেষ্টা কৰে। গণিতৰ সমস্যাৰ লগতে গওয়াৰ্চে তেওঁৰ ব্লগৰ লেখাটোৰ শীৰ্ষত এটা প্ৰশ্ন সুধিছিলঃ "ব্যাপকভাবে সহযোগিতামূলক গণিত সম্ভৱ নে?" ইয়াৰ ফলত তেওঁ এটা বিখ্যাত প্ৰজেক্ট সৃষ্টি কৰে। প্ৰজেক্টটোৰ নাম কি?

৫) এওঁ এজন ব্ৰিট্ৰিছ-আমেৰিকান কম্পিউটাৰ বিজ্ঞানী,



পদাৰ্থবিজ্ঞানী, আৰু ব্যৱসায়ী। ২০১২ চনত তেওঁ আমেৰিকান গাণিতিক সমিতিৰ ফেল' হিচাপে মনোনীত হয়। তেওঁ ছফ্টৱেৰ কোম্পানী '________ ৰিচাৰ্চ'ৰ প্ৰতিষ্ঠাপক। বৈজ্ঞানিক আৰু আভিযান্ত্ৰিক ক্ষেত্ৰত ব্যৱহৃত এক বিখ্যাত কম্পিউটেচন প্ৰগ্ৰেমৰ তেওঁ মুখ্য ডিজাইনাৰ। তেওঁৰ নাম কি আৰু প্ৰগ্ৰেমৰ নামটো কি?

৬) ১৮৯৫ চনত অঁৰি পইনকাৰে-এ গণিতৰ এখন বিশেষ গৱেষণা-পত্ৰ প্ৰকাশ কৰিছিল। ১৮৯৯ চনৰ পৰা ১৯০৪ চনৰ ভিতৰত তেওঁ গৱেষণা-পত্ৰখনৰ পাঁচটা পৰিপূৰক প্ৰকাশ কৰিছিল। এই গৱেষণা-পত্ৰবোৰে গণিতৰ এটা প্ৰধান বিষয়ৰ প্ৰথম প্ৰণালীবদ্ধ বুনিয়াদ গঢ়ি তুলিছিল। ১৮৯৫ চনৰ গৱেষণা-পত্ৰখনে 'Homeomorphism' গাণিতিক শব্দটো সৃষ্টি কৰিছিল। ১৮৯৫ চনৰ গৱেষণা-পত্ৰখনৰ শিৰোনামটো কি? কি বিষয়ৰ বুনিয়াদ সেই গৱেষণা-পত্ৰকেইখনে গঢ়িছিল?

৭) এই বঁটা '________ ইণ্টাৰনেচনেল স্কুল অৱ মেথেমেটিক্স'এ ২০১৯ চনত স্থাপিত কৰিছিল। প্ৰতি তিনি বছৰত ৪০ ৰ পৰা ৬৫ বছৰ বয়সৰ অসামান্য গণিতজ্ঞসকলক এই বঁটা প্ৰদান কৰা হয়। বিখ্যাত গণিতজ্ঞ এগৰাকীৰ সন্মানত এই বঁটা নামকৰণ কৰা হৈছে। বিশ্ববিখ্যাত ফিল্ডছ মেডেলিষ্ট এজন এই পুৰস্কাৰপ্ৰাপ্ত প্ৰথম ব্যক্তি আছিল। বঁটাটোৰ নাম কি আৰু এই বঁটা প্ৰথমবাৰৰ বাবে কোনে লাভ কৰিছিল?

৮) গণিতৰ ক্ষেত্ৰত বিশিষ্ট গৱেষণামূলক কাম আৰু গাণিতিক লিখনিৰ বাবে 'আমেৰিকান গাণিতিক সমিতি'য়ে প্ৰতি বছৰে লিৰয় পি. ষ্টীল বঁটা প্ৰদান কৰে। ১৯৯৩ চনৰ পৰা এই বঁটাক তিনিটা শ্ৰেণীত আনুষ্ঠানিকভাবে বিভক্ত কৰা হৈছে– জীৱনজোৰা কৃতিত্বৰ বাবে, গাণিতিক ব্যাখ্যামূলক লেখাৰ বাবে আৰু গাণিতিক গৱেষণাৰ বাবে। বৰ্তমানলৈকে মাত্ৰ এজন গণিতজ্ঞই তিনিওটা ভাগৰে বঁটা লাভ কৰিছে– ১৯৮২ চনত গৱেষণাৰ বাবে, ২০০৪ চনত গাণিতিক লেখাৰ বাবে আৰু ২০১১ চনত জীৱনজোৰা কৃতিত্বৰ বাবে। তেওঁ ১৯৬২ চনৰ ফিল্ডছ মেডেলিষ্টো আছিল। এই মহান গণিতজ্ঞগৰাকীৰ নাম কি?

উত্তৰসমূহ হোৱাট্ছএপ যোগে +918876538404 নম্বৰলৈ ০৩/০১/২০২৩ ৰ ভিতৰত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ। লগত নাম-শিক্ষা-বৃত্তি-ঠিকনা প্ৰেৰণ কৰিব। শুদ্ধ উত্তৰ দিওঁতাৰ পৰিচয় অহা সংখ্যাত প্ৰকাশ কৰা হ'ব।